**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 27-03-2026

**Time :** 1845 Hrs.

***Assamese Evening Bulletin***
**HEADLINE**

০০০০০

১। সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ ব্যাপক প্ৰচাৰ অব্যাহত। লখিমপুৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু মাহমৰাত গৌৰৱ গগৈৰ প্ৰচাৰ অভিযান।

২। নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ ৰাজ্যজুৰি প্ৰশাসনৰ  প্ৰশিক্ষণ আৰু সজাগতামূলক কাৰ্যসূচী।

৩। কেন্দ্ৰীয় চৰকাৰৰ ইন্ধনৰ ওপৰত আৱকাৰী শুল্ক হ্ৰাসৰ সিদ্ধান্ত।  ইন্ধনৰ কৃত্ৰিম নাটনি ৰোধ কৰাৰ বাবে বিভিন্ন জিলা প্ৰশাসনৰ অভিযান।

৪। চত্তিশগড়ত অনুষ্ঠিত জনজাতীয় ক্ৰীড়া সমাৰোহৰ ভাৰোত্তোলনত অসমৰ মনোৰঞ্জন ঢেকিয়ালৰ সোণৰ পদক অৰ্জন। *আৰু*

৫। কাইলৈৰ পৰা আই পি এল ক্ৰিকেট প্ৰতিযোগিতা। বাংগালুৰুত হবলগীয়া উদ্বোধনী খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু - চানৰাইজাৰ্ছ হায়দৰাবাদৰ মুখামুখি।

০০০০০

বিধানসভা নিৰ্বাচনলৈ মাজত ১২ দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে ৰাজ্যজুৰি প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কাইলৈ আৰু পৰহিলৈ ৰাজ্যখনত প্ৰচাৰ চলাব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিহপুৰীয়া সমষ্টিৰ বিজেপি প্ৰাৰ্থী ভূপেন বৰাৰ হৈ প্ৰচাৰ চলায়। তেওঁ আজি ৰঙানদী, ঢকুৱাখনা আৰু নাওবৈচা সমষ্টিৰো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। ঢকুৱাখনা সমষ্টিৰ এন ডি এ প্ৰাৰ্থী নৱ কুমাৰ দলে আৰু ৰঙানদীৰ প্ৰাৰ্থী ঋষিৰাজ হাজৰিকাৰ সমৰ্থনত ড০ শৰ্মাই প্ৰচাৰ চলায়। লখিমপুৰত বিজেপি নেতাগৰাকীয়ে এটা ৰোড শ্ব'ত ভাগ লৈছে। দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি শিলচৰত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। জিলাখনৰ শিলচৰ আৰু বৰখলা সমষ্টিত শ্ৰীসোণোৱালে বিজয় সংকল্প সভাত অংশ লয়। শিলচৰৰ স্পৰ্টিং ফিল্ড

আৰু বৰখলাৰ ডলু চাহ বাগিছাত আয়োজিত এই সমাৱেশত শ্ৰীসোণোৱালে সমষ্টি দুটাৰ প্ৰাৰ্থী ডাঃ ৰাজদীপ ৰায় আৰু কিশোৰ নাথৰ সমৰ্থনত ভোট বিচাৰে।

- বাইট (সোণোৱাল) -

আজি বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তুলিৰাম ৰংহাঙেও আজি বোকাজানত প্ৰচাৰ চলাইছে। বিশ্বনাথ সমষ্টিৰ বিজেপি প্ৰাৰ্থী পল্লৱ লোচন দাস, ৰঙিয়াত ভবেশ কলিতা আৰু শিৱসাগৰত কুশল দুৱৰীয়েও প্ৰচাৰ চলাইছে।

কংগ্ৰেছ আৰু বিৰোধী মিত্ৰদলসমূহৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলেও ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ চলাই আছে। কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই পৰহিলৈ লখিমপুৰত প্ৰচাৰ অভিযান চলাব। দলৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে আজি মাহমৰা সমষ্টিত বিৰোধী ঐক্যৰ প্ৰাৰ্থী জ্ঞানদীপ মোহনৰ হৈ প্ৰচাৰ কাৰ্য্যসূচীত অংশ লয়। দলৰ নেতা ৰিপুণ বৰাই শোণিতপুৰ জিলাৰ জীয়াগাভৰুত নিৰ্বাচনী কাৰ্য্যালয় উদ্বোধন কৰাৰ লগতে প্ৰচাৰ কাৰ্য্যসূচীতো অংশ লয়। অসম জাতীয় পৰিষদৰ নেতা লুৰিণজ্যোতি গগৈয়েও খোৱাং সমষ্টিৰ লগতে অন্যান্য স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে।

উল্লেখযোগ্য যে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১, ৫ আৰু ৬ এপ্ৰিলত অসমত প্ৰচাৰ চলাব। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনো ২৯ আৰু ৩০ মাৰ্চত প্ৰচাৰ চলাবলৈ অসমলৈ আহিব।

কংগ্ৰেছৰ দলীয় সূত্ৰই প্ৰকাশ কৰা অনুসৰি দলৰ নেতা ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী ৱাদ্ৰা, জয়ৰাম ৰমেশ, শচীন পাইলট, ভূপেশ বাঘেল আদিয়ে অসমত নিৰ্বাচনী প্ৰচাৰ চলাব। আম আদমী পাৰ্টিৰ অৰবিন্দ কেজৰিৱাল, মনীষ ছিছ'ডিয়া, ভগৱন্ত সিং মান, আতিশীকে ধৰি প্ৰায় ৪০জন নেতা প্ৰচাৰৰ বাবে অসমলৈ অহাৰ সম্ভাৱনা আছে।

অসমত অহা ৯ এপ্ৰিলত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ প্ৰক্ৰিয়া সমাপ্ত হৈছে। কালি অন্তিম দিনা ৬৭গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰে। সেই অনুসৰি এইবাৰৰ নিৰ্বাচনত মুঠ ৭২২গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱাটো নিশ্চিত হয়।

ooooo

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন প্ৰান্তত আৰক্ষী বাহিনী, ফ্লায়িং স্কোৱাদ আৰু বিশেষ নিৰীক্ষণকাৰী গোটে অভিযান অব্যাহত ৰাখিছে। গোৱালপাৰা জিলা আৰক্ষীয়ে জিলাখনৰ বিভিন্ন প্ৰান্তত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। আৰক্ষী প্ৰশাসনে স্থলপথৰ লগতে জলপথতো চোকা দৃষ্টি ৰাখিছে। ইপিনে, নিৰ্বাচনী আচৰণ বিধি বলবৎ হৈ থকাৰ মাজতে কামৰূপ মহানগৰ জিলাৰ খানাপাৰাত এজন লোকৰ পৰা ১৫ লাখ টকা জব্দ কৰা হৈছে। বশিষ্ঠ আৰক্ষীয়ে তালাচী চলাই ৪ চকীয়া বাহনৰ পৰা এই ধনখিনি উদ্ধাৰ কৰে। আৰক্ষীয়ে ইতিমধ্যে ফ্লায়িং স্কোৱাদ আৰু আয়কৰ বিভাগক এই ধনখিনি জমা দিয়ে। উল্লেখযোগ্য যে নিৰ্বাচনী আচৰণবিধি প্ৰযোজ্য হৈ থকাৰ বাবে কামৰূপ জিলা মহানগৰ প্ৰশাসন সন্তম হৈ পৰিছে। মহানগৰীৰ বিভিন্ন পথত ফ্লায়িং স্কোৱাদৰ দলে অভিযান অব্যাহত ৰাখিছে।

ooooo

ৰাজ্যত বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন জিলা প্ৰশাসনে নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। জিলাই জিলাই প্ৰিজাইদিং আৰু প'লিং বিষয়াসকলৰ প্ৰশিক্ষণ চলি থকাৰ লগতে বিভিন্ন সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হৈছে।

যোৰহাট চন্দ্ৰকমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয়ত আজি ই ভি এম আৰু ভি ভি পেট পৰিচালনা কৰা সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হয়। জিলা আয়ুক্ত জয় শিৱানী আৰু সহকাৰী আয়ুক্তৰ উপস্থিতিত আয়োজিত এই প্ৰশিক্ষণ কাৰ্যসূচীত মাষ্টাৰ ট্ৰেইনাৰ সকলে দ্বিতীয় আৰু তৃতীয় ভোটগ্ৰহণ বিষয়াসকলক ই ভি এমৰ কাৰিকৰী দিশসমূহৰ বিষয়ে অৱগত কৰে।

দেশৰ নিৰ্বাচনী আয়োগে নিযুক্তি দিয়া বিশেষ অৱসৰপ্ৰাপ্ত  প্ৰশাসনিক সেৱা বিষয়া মনজিৎ সিঙে আজি ডিব্ৰুগড় জিলা আয়ুক্তৰ  কাৰ্যালয়ত নিৰ্বাচনৰ প্ৰস্তুতি আৰু ব্যৱস্থাপনাৰ বিভিন্ন দিশ সন্দৰ্ভত পৰ্যালোচনা কৰে। বিশেষ পৰ্যবেক্ষক সিঙে জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া বিক্ৰম কৈৰী, জ্যেষ্ঠ আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ দিলীপৰ সৈতে আলোচনাত মিলিত হয়। ইয়াৰ পাছত বিশেষ পৰ্যবেক্ষকগৰাকীয়ে জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকগৰাকীৰ সৈতে মনোহাৰী দেৱী কানৈ মহাবিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰে। পৰ্যবেক্ষকগৰাকীয়ে বকুলস্থিত ডিব্ৰুগড় পলিটেকনিক শিক্ষা প্ৰতিষ্ঠানলৈ গৈ নিৰ্বাচনী সামগ্ৰী সংগ্ৰহ তথা বিতৰণ কেন্দ্ৰৰ লগতে ষ্ট্ৰং ৰুম পৰিদৰ্শন কৰে। ষ্ট্ৰং ৰুমৰ নিৰাপত্তা ব্যৱস্থা, বিভিন্ন বিতৰণ কোষসমূহৰ কাৰ্যপ্ৰণালী আৰু নিৰ্বাচন প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰাৰ লগতে তেওঁ পৰামৰ্শ আগবঢ়ায়।

ওদালগুৰি জিলাৰ ৪ টা সমষ্টিত সুচাৰুৰূপে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসন সম্পূৰ্ণৰূপে সাজু হৈছে। জিলাখনৰ ১১০ টা ভোটকেন্দ্ৰ মহিলা কৰ্মচাৰীয়ে পৰিচালনা কৰিব বুলি জিলা প্ৰশাসনৰ তৰফৰ পৰা জানিবলৈ দিয়া হৈছে। জিলা ৰিটাৰ্নিং বিষয়াই জনোৱা অনুসৰি জিলাখনত ১০ টা নিৰাপত্তা কোম্পানী নিয়োগ কৰা হৈছে। ওদালগুৰি জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া জয় বিকাশে আজি ভোটকেন্দ্ৰসমূহৰ বিভিন্ন দিশ নিৰীক্ষণ কৰে।

তামুলপুৰত ভোটাৰসকলক সজাগ কৰাৰ উদ্দেশ্যে জিলা প্ৰশাসনে আজি বিশেষ সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰে। তামুলপুৰ বজাৰত এই উপলক্ষে বাটৰ নাট প্ৰদৰ্শন কৰা হয়। গোৱালপাৰা জিলা প্ৰশাসনেও বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি পূৰ্ণগতিত চলাইছে। ভোটগ্ৰহণত জড়িত হ'বলগীয়া প্ৰিজাইডিং আৰু পোলিং বিষয়াসকলৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ গোৱালপাৰা পলিটেকনিকত আজি অনুষ্ঠিত হৈছে। জিলা আয়ুক্ত প্ৰদীপ টিমুঙে প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে সকলো বিষয়াক নিয়াৰিকৈ নিজৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়।

বাইট- প্ৰদীপ টিমুঙ

বজালী জিলাত নিৰ্বাচনী সজাগতাৰ বাবে আজি কামধেনু নামৰ শুভংকৰ প্ৰতীক মুকলি কৰা হয়। জিলা আয়ুক্ত পাৰ্থপ্ৰতীম মজুমদাৰে এই প্ৰতীক চিহ্ন উন্মোচন কৰে।

বাক্সা জিলাৰ মুছলপুৰতো জিলা প্ৰশাসনে **পিগমি** নামৰ এটা প্ৰতীক মুকলি কৰে। ভোটাৰৰ মাজত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে জিলা আয়ুক্ত কিমনেই চাংচানে এই প্ৰতীক উন্মোচন কৰে। ইয়াৰ পাছতে  জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত গছপুলি ৰোপণ কাৰ্যসূচী আৰু এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসনেও বিধানসভা নিৰ্বাচনৰ বাবে ব্যাপক তৎপৰতা চলাইছে। জিলাখনৰ একমাত্ৰ

মানকাচৰ সমষ্টিৰ ভোটগ্ৰহণৰ বাবে আজি ৪৮৮ গৰাকী পোলিং বিষয়া দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। হাটশিঙিমাৰী মহাবিদ্যালয় আৰু চিনিয়ৰ চেকেণ্ডাৰী স্কুলত ২৩ গৰাকী প্ৰশিক্ষকে পোলিং বিষয়াসকলক প্ৰশিক্ষণ দিয়ে এই সন্দৰ্ভত মুখ্য প্ৰশিক্ষক ৰাফিউল আলম অসমেদে এইদৰে কয়।

বাইট

নলবাৰী জিলাৰ নিৰ্বাচনী কামত গাফিলতি কৰা ১৮ গৰাকী বিষয়া কৰ্মচাৰীক আজি কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা হৈছে। জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া নিবেদন দাস পাটোৱাৰীয়ে এটা নিৰ্দেশযোগে ২৪ ঘণ্টাৰ ভিতৰত তেওঁলোকৰ গাফিলতিৰ কাৰণ দৰ্শাবলৈ নিৰ্দেশ দিয়ে।

০০০০০

পশ্চিম এছিয়াৰ সংকটৰ মাজত সমগ্ৰ বিশ্বত ইন্ধনৰ যোগান হ্ৰাস তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত দাম বৃদ্ধি পোৱাৰ সময়তে চৰকাৰে ইন্ধনৰ ওপৰত আবকাৰী শুল্ক হ্ৰাস কৰাৰ বাবে সিদ্ধান্ত লৈছে। উল্লেখযোগ্য যে, কেন্দ্ৰীয় চৰকাৰে পেট্ৰ'ল আৰু ডিজেলৰ আৰকাৰী শুল্ক প্ৰতি লিটাৰত ১০ টকাকৈ হ্ৰাস কৰিছে। ইয়াৰ ফলত প্ৰতি লিটাৰ পেট্ৰ'লৰ শুল্ক হ্ৰাস পাই পূৰ্বৰ ১৩ টকাৰ পৰা ৩ টকা আৰু ডিজেলৰ আৰকাৰী শুল্ক শূণ্য হৈছে। এই সিদ্ধান্তক ইতিবাচক পদক্ষেপ বুলি অভিহিত কৰাৰ লগতে অভূতপূৰ্ব বুলিও কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে প্ৰকাশ কৰিছে।

-বাইট(ৰিজিজু)-

ইপিনে, সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কয়, যে বিভিন্ন দেশে সম্প্ৰতি পেট্ৰ'ল আৰু ডিজেলৰ দাম বৃদ্ধি কৰাৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰৰ আবকাৰী শুল্ক হ্ৰাসৰ সিদ্ধান্তই জনসাধাৰণকেন্দ্ৰিক সু-শাসন ব্যৱস্থা আৰু সংবেদনশীলতাৰে সিদ্ধান্ত গ্ৰহণকে প্ৰতিফলিত কৰে।

উল্লেখযোগ্য যে, পশ্চিম এছিয়াৰ যুদ্ধ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দেশত উদ্ভৱ হোৱা ইন্ধন তেল আৰু ৰন্ধন গেছৰ নাটনি সন্দৰ্ভত পৰ্যালোচনাৰ বাবে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে এখন বৈঠকত মিলিত হৈছে। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে হ'বলগীয়া এই বৈঠকত ৰাজ্যসমূহৰ প্ৰস্তুতি আৰু পৰিকল্পনা সন্দৰ্ভত আলোচনা কৰা হ'ব। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি এই বৈঠকত টীম ইণ্ডিয়া হিচাপে সহযোগিতাৰে সকলোৱে কাম কৰাত গুৰুত্ব দিয়া হ'ব। অৱশ্যে অসমকে ধৰি নিৰ্বাচন হ'বলগীয়া পাঁচখন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকল নিৰ্বাচনী অধিসূচনা জাৰি হৈ থকাৰ বাবে বৈঠকখনত উপস্থিত থাকিব নোৱাৰিব। এই পাঁচখন ৰাজ্যৰ মুখ্য সচিবসকলে বৈঠকত প্ৰতিনিধিত্ব কৰিব। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিম এছিয়াৰ সংঘাত আৰু ভাৰতৰ স্থিতি সন্দৰ্ভত সংসদৰ দুয়োখন সদনত বক্তব্য আগবঢ়াইছিল। শ্ৰীমোদীয়ে কৈছিল যে চৰকাৰে পেট্ৰ'ল-ডিজেল, ৰন্ধন গেছ আৰু সাৰৰ নিয়মীয়া যোগান নিশ্চিত কৰাৰ বাবে কাম কৰি আছে।

০০০০০

ইন্ধনৰ কৃত্ৰিম নাটনি ৰোধৰ বাবে বিভিন্ন জিলা প্ৰশাসনে অভিযান অব্যাহত ৰাখিছে। ইন্ধনক লৈ সৃষ্টি হোৱা উৰা বাতৰিত ভোল নাযাবলৈ ৰাইজক বিভিন্ন জিলা প্ৰশাসনে আহ্বান জনাইছে। যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা তথ্য আৰু জনসংযোগ বিভাগৰ সহযোগত কালিৰে পৰা জিলাখনৰ বিভিন্ন প্ৰান্তত পেট্ৰল ডিজেলৰ মজুত সন্দৰ্ভত মাইকযোগে প্ৰচাৰ চলাইছে। তেল ডিপোসমূহত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ

ঘটনাৰ সৃষ্টি নহয় তাৰ বাবে দণ্ডাধীশসকলৰ লগতে খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ পৰিদৰ্শকসকলে জিলাখনৰ অন্তৰ্গত বিভিন্ন তেল ডিপোসমূহ নিয়মীয়াকৈ পৰিদৰ্শন কৰিছে।

ডিব্ৰুগড় জিলাৰ বিভিন্ন পেট্ৰল পাম্পসমূহত জিলা প্ৰশাসনে আজি অভিযান চলায়। পৰিদৰ্শনৰ সময়ত যোগান বিভাগৰ বিষয়াসকলে নথিপত্ৰ আৰু ইন্ধনৰ উপলব্ধতা পৰীক্ষা কৰে। কৃত্ৰিম নাটনিৰ সৃষ্টি কৰা যিকোনো অনিয়মৰ পৰা বিৰত থাকিবলৈ পেট্ৰল পাম্পসমূহৰ পৰিচালকসকলক অভিযানকাৰী দলে কঠোৰ নিৰ্দেশ প্ৰদান কৰে। এই পৰিদৰ্শন অভিযানত ডিব্ৰুগড় পৌৰ নিগমৰ ভাৰপ্ৰাপ্ত আয়ুক্ত নভাছ দাসৰ লগতে যোগান বিভাগৰ কেইবাগৰাকী বিষয়া উপস্থিত থাকে।

কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আজি এটা প্ৰেছ বিজ্ঞপ্তিযোগে জিলাখনত পেট্ৰল আৰু ডিজেল পৰ্যাপ্ত পৰিমাণে মজুত থকা বুলি জানিবলৈ দিয়ে। বিজ্ঞপ্তিযোগে তেওঁ কয় যে জিলাখনত এই পৰ্যন্ত ইন্ধনৰ কোনো নাটনি হোৱা নাই। এই সন্দৰ্ভত প্ৰশাসনৰ তৰফৰ পৰা চাহিদা অনুপাতে যোগান অব্যাহত ৰখাৰ বাবে জিলা প্ৰশাসনৰ দ্বাৰা পৰ্যবেক্ষণ আৰু কাৰ্যব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে বুলি জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। জিলা আয়ুক্তগৰাকীয়ে ৰাইজক কোনো ধৰণৰ উৰা বাতৰিক বিশ্বাস নকৰিবলৈ আহ্বান জনায়। ইপিনে ৰাইজৰ ওজৰ আপত্তি জনাবলৈ ইতিমধ্যে জিলা প্ৰশাসনে ৬০০২৭ ১৫১২৬ নম্বৰ মুকলি কৰিছে।

ooooo

আজি বিশ্ব থিয়েটাৰ দিৱস। ৰাষ্ট্ৰসংঘৰ ইউনেস্কে'ৰ এটা শাখা আন্তৰ্জাতিক থিয়েটাৰ প্ৰতিষ্ঠানে ১৯৬১ চনত প্ৰথমবাৰৰ বাবে এই দিৱস পালনৰ শুভাৰম্ভ কৰিছিল। সম্প্ৰতি ভাৰতকে ধৰি বিশ্বৰ বিভিন্ন দেশত এই দিৱস পালন কৰা হয়। এই উপলক্ষে নাট্য কৰ্মীসকলৰ সভা-সমিতি আৰু নাট্যানুষ্ঠান অনুষ্ঠিত হয়। এইবাৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে - থিয়েটাৰ আৰু শান্তিপূৰ্ণ সংস্কৃতি। এই বিষয়বস্তুৰে বিশ্বৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণৰ মাজত নাট্য কলা আৰু সংস্কৃতিৰ মাধ্যমেৰে সমন্বয় সাধনৰ প্ৰয়াস কৰা হৈছে। অসমতো আজি বিশ্ব থিয়েটাৰ দিৱস উপলক্ষে নাট্যকৰ্মীসকলে ভালেমান কাৰ্য্যসূচী গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিশ্ব থিয়েটাৰ দিৱস উপলক্ষে প্ৰতি গৰাকী নাট্য কৰ্মীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সমাজৰ দাপোণস্বৰূপ নাট্য চৰ্চাৰে সমাজ সচেতন হৈ থাকিব বুলি এটা বাৰ্তাযোগে তেওঁ আশা প্ৰকাশ কৰিছে।

ooooo

চত্তিশগড়ৰ ৰায়পুৰত অনুষ্ঠিত জনজাতীয় ক্ৰীড়া সমাৰোহৰ ভাৰোত্তোলনত আজি অসমৰ মনোৰঞ্জন ঢেকিয়ালে সোণৰ পদক লাভ কৰে। প্ৰতিযোগিতাখনৰ ৬৫ কিলোগ্ৰাম শাখাত মনোৰঞ্জনে এই সফলতা অৰ্জন কৰে।

ooooo

কাইলৈৰ পৰা আই পি এল টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। কাইলৈ সন্ধিয়া চাৰে সাত বজাত বাংগালুৰুত হ'বলগীয়া প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু - চানৰাইজাৰ্ছ হায়দৰাবাদৰ মুখামুখি হ'ব।

ooooo

সমাপ্ত